No. of Printed Pages—2

437 (ASB2)

[20-HKPGDEO–M2S(O)21J]

MA 2nd Semester (Old) Exam., 2020

ASSAMESE

[MAS (S2) 05]

[অসমীয়া সাহিত্যৰ বুৰঞ্জী (অৰুণোদয় যুগৰ পৰা যুদ্ধোত্তৰ যুগলৈ)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) যদুৰাম ডেকাৰকৰ্ৱাই প্ৰণয়ন কৰা অভিধানখনৰ নাম কি ? এইখন কোন চনত প্ৰকাশ হৈছিল ?

(b) অঃ ভাঃ উঃ সাঃ সঃ ৰ সম্পূৰ্ণ নাম কি ? এই সভা কেতিয়া গঠন হৈছিল ?

(c) 'আসাম বন্ধু' প্ৰথম কেতিয়া প্ৰকাশ হৈছিল ? ইয়াৰ সম্পাদকজনৰ নাম লিখক ।

(d) অসমীয়া সাহিত্যৰ 'যুদ্ধোত্তৰ যুগ' বুলিলে কোনখিনি সময়ক বুজে ? অভিধাটোৰ তাৎপৰ্য কি ?

(e) 'কয়লা', 'কুকুৰ' আৰু 'ৰাজপথ' কবিতাকেইটাৰ কবি কোন ?

(f) মহেন্দ্ৰ বৰা আৰু হোমেন বৰগোহাঞিৰ আত্মজীৱনী দুখনৰ নাম লিখক ।

2. তলৰ প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ভোলানাথ দাসৰ সাহিত্যৰ বিষয়ে চমুকৈ লিখক।

(b) যুদ্ধোত্তৰ যুগৰ কবি নীলমণি ফুকনৰ কবিতাৰ চাবিটা বৈশিষ্ট্য লিখক।

(c) অৰূপা পটংগীয়া কলিতাৰ উপন্যাসৰ বিষয়ে চমুকৈ লিখক।

(d) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ নাটকৰ বিষয়ে এটা টোকা যুগুত কৰক।

3. তলৰ প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) মহেশ্বৰ নেওগে 'বেজবৰুৱাৰ যুগ'ৰ স্তৰবিভাজন কেনেদৰে কৰিছে, আলোচনা কৰক। 'বেজবৰুৱাৰ যুগ' অভিধাটিৰ তাৎপৰ্য লিখক।

(b) 'গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱা' সম্পৰ্কে এটা আলোচনা দাঙি ধৰক।

(c) যুদ্ধোত্তৰ যুগৰ প্ৰথম পৰ্বৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(d) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ গল্পকাৰৰ বিষয়ে চমুকৈ লিখক।

4. তলৰ প্ৰশ্নসমূহৰ যি কোনো **চাৰিটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) 'অৰুণোদয় যুগ'ৰ সাহিত্যৰ পটভূমি সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

(b) অসমীয়া সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱাৰ অৱদান কেনেধৰণৰ, আলোচনা কৰক।

(c) ৰমণ্যাসিক যুগৰ অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰক।

(d) কেনেধৰণৰ সামাজিক আৰু সাহিত্যিক পটভূমিত অসমীয়া সাহিত্যত 'যুদ্ধোত্তৰ যুগ'ৰ জন্ম আৰু বিকাশ হৈছিল, বিস্তৃতভাৱে লিখক।

(e) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বৰ কবিতাৰ মাজত কেনেধৰণৰ নতুনত্বৰ সূচনা হ'ল, আলোচনা কৰক।

★★★